অধ্যায় ৭ ঃ জনসংযোগ আৰু সমাজ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ গণমাধ্যম আৰু ইয়াৰ কার্যাৱলী
৭.৪ বিবাহ আৰু পৰিয়ালৰ ওপৰত গণমাধ্যমৰ প্ৰভাৱ
৭.৫ গণমাধ্যম আৰু ভাৰতীয় পৰিয়াল
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্ৰগতিৰ খতিয়ান
৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গণমাধ্যম কি জানিব পাৰিব
- গণমাধ্যমৰ কার্যাৱলীসমূহৰ বিষয়ে জানিব পাৰিব
- বৃহত্তৰ সমাজত গণমাধ্যমৰ ভূমিকাৰ বিষয়ে বর্ণা কৰিব পাৰিব।

৭.২ পৰিচয়

সমাজ ব্যৱস্থাত গণমাধ্যমৰ এক উল্লেখযোগ্য ভূমিকা আছে। সংবাদ মাধ্যমৰ সপক্ষে আৰু বিপক্ষে হোৱা বাদ-বিবাদবোৰ থকা সত্বেও বর্তমান সময়ত ই সমাজক প্ৰভাৱান্বিত কৰিব পৰা এক শক্তিশালী কাৰক হিচাপে প্ৰতিষ্ঠিত হৈছে। এই অধ্যায়টিত আমি গণমাধ্যম আৰু বর্তমান সমাজত ইয়াৰ ভূমিকাৰ উপৰিও ভাৰতৰ পৰিপ্ৰেক্ষিতত পৰিয়াল আৰু বিবাহৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়েও পঢ়িবলৈ পাম।

৭.৩ গণমাধ্যম আৰু ইয়াৰ কার্যাৱলী

গণমাধ্যম হ'ল তথ্য, ধাৰণা, মতামত, স্থিৰচিত্ৰ আদিক জনসংযোগী সজুলিৰ সহায়ত ভিন্ন প্ৰকৃতিৰ জনসাধাৰণলৈ প্ৰেৰণ কৰাৰ কাৰিকৰী উপায়। গণমাধ্যম হ'ল এক ধৰণৰ মাধ্যম, যিয়ে মধ্যস্থতা কৰে, যিটো হ'ল মধ্যৱর্তী স্থান। গণমাধ্যম হ'ল মাধ্যম শব্দটোৰ বহুবচন। ই হৈছে এক বাহক, যাৰ জৰিয়তে তথ্য, মনোৰঞ্জন, সংবাদ, স্থিৰচিত্ৰ , শৈক্ষিক বা প্ৰসাৰমূলক বার্তা প্ৰেৰণ কৰা হয়।

বৰ্তমান সমাজত গণমাধ্যমৰ পুৰণা আৰু নতুন বিভিন্ন উৎস আছে, যেনে বাতৰিকাকত, আলোচনী, দূৰদৰ্শন, অঁনাতাৰ যন্ত্ৰ, পৰিকলন যন্ত্ৰ, ইন্টাৰনেট, ছ'চিয়েল মিডিয়া, প্ৰচাৰপত্ৰ, ফেক্স, টেলিগ্ৰাম, ভিডিঅ' গেমছ, চেলফোন ইত্যাদি। ইয়াৰ ভিতৰৰ প্ৰায়ভাগ উৎসৰে ভাৰতীয় সমাজ, আনকি বহুতো দাঁতিকাষৰীয়া অঞ্চলৰ লগতো সংযোগ আছে। গণমাধ্যমে, বিশেষকৈ গ্ৰাম্যাঞ্চলত, মানুহৰ যোগাযোগৰ ৰীতি-নীতিৰ সালসলনি ঘটাইছে। গণমাধ্যমে এই পৃথিৱীৰ ধনী-দুখীয়া সকলোৰে মাজত সময় আৰু স্থানৰ এটা একক ধাৰণাৰে সংযোগ স্থাপন কৰিছে।

গণমাধ্যমৰ এনে কোনো ৰূপ নাই যিটো সাংস্কৃতিক পক্ষপাতিত্ব আৰু কোনো নিৰ্দিষ্ট লক্ষ্যৰ পৰা মুক্ত। প্ৰায়েই গণমাধ্যমবোৰ শ্ৰেণী, জাতি, লিংগ, গোষ্ঠী, বা বৰ্ণৰ প্ৰতি পক্ষপাতমূলক ধাৰণাৰ বশৱৰ্তী হোৱা দেখা যায়। এইবোৰে প্ৰায়ে ৰাজনৈতিক আৰু সামাজিক চিন্তাধাৰাৰ ওপৰত প্ৰভাৱ পেলায়। ছপা মাধ্যমটো অঁনাতাৰ আৰু বৈদ্যুতিন মাধ্যমতকৈ পুৰণি। ছ'চিয়েল মিডিয়া (Social Media) হ'ল গণমাধ্যমৰ আটাইতকৈ নতুন ৰূপ। গণমাধ্যমৰ যোগেদি সমাজৰ সকলো শ্ৰেণীৰ মানুহে অনায়াসে তথ্য, স্থিৰচিত্ৰ , আৰু ভাবৰ আদান-প্ৰদান কৰিব পাৰে। ছ'চিয়েল মিডিয়া হ'ল এনে এক প্ৰকাৰৰ গণমাধ্যম, যাৰ সহায়ত মানুহে ইন্টাৰনেটৰ যোগেদি ভাব বিনিময় আৰু যিকোনো বিষয়বস্তুৰ আদান-প্ৰদান কৰিব পাৰে। ইয়াৰ ভিতৰত ৱেব-জড়িত প্ৰযুক্তিবিদ্যাসমূহ থাকে যেনে, য়ুট্যুব (Youtube), ব্লগছ (Blogs), ফেইছবুক (Facebook), ইন্ষ্টাগ্ৰাম (Instagram) ইত্যাদি। গণমাধ্যম, বিশেষকৈ ছ'চিয়েল মিডিয়াৰ শক্তি প্ৰতীকাত্মক, যিহেতু ইয়াৰ হাতত সাধাৰণ জনতাৰ মতামতক প্ৰভাৱান্বিত কৰাৰ ক্ষমতা থকা সত্বেও তেঁওলোকৰ প্ৰত্যক্ষ কাম-কাজক নিয়ন্ত্ৰণ কৰাৰ শক্তি নাথাকে।

বিংশ শতিকাৰ আশী আৰু নৈৰ্ব্বৰ দশকত উন্নয়নশীল দেশসমূহত যোগাযোগ কৰা আৰু তথ্য তথা যিকোনো বিষয়বস্তুৰ ধাৰণা আদিৰ আদান প্ৰদানৰ অধিকাৰৰ বিষয়ে বিভিন্ন বাদ-বিবাদ চলিছিল। শিক্ষাই গণমাধ্যমৰ যোগেদি সাধাৰণ জনতাক একলগ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। গণমাধ্যমৰ উপযুক্ত ব্যৱহাৰৰ বাবে ই এক পূৰ্বনিৰ্ধাৰিত চৰ্ত। গণমাধ্যমৰ ভূমিকা গতিশীল, ই স্থিৰিৰ নহয়। সমাজত সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ সলনিৰ লগে লগে গণমাধ্যমৰ ভূমিকাও সলনি হৈ গৈ থাকে।

সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপেও জনা যায় যিহেতু ই চৰকাৰৰ সমালোচক হিচাপে কাম কৰা উচিত আৰু লগতে ই এই সমালোচনাৰ ক্ষেত্ৰত নিৰপেক্ষ হোৱাটো প্ৰয়োজনীয়। তথাপিও যোৱা কেইবছৰমানত নিৰপেক্ষতা অৱলম্বন কৰিবলৈ বিফল হোৱাত আৰু পক্ষপাতিত্বমূলক আচৰণৰ বাবে সংবাদ মাধ্যম সততে সমালোচনাৰ সন্মুখীন হৈ আহিছে। গণতন্ত্ৰৰ প্ৰতিপালকৰ পৰা চৰকাৰৰ মিত্ৰলৈ স্থান অৱনমিত হোৱা বাবে বহুতে সংবাদ মাধ্যমৰ বাণিজ্যিকীকৰণ আৰু ব্যক্তিগতকৰণকে দোষাৰোপ কৰে। বৰ্তমানৰ পৃথিৱীখন সংবাদ মাধ্যমৰ বিপ্লৱৰ মধ্যস্থানত আছে আৰু ই সংবাদ মাধ্যমৰ চৰিত্ৰ আৰু কাৰ্যাৱলীৰ নিশ্চয়কৈ পৰিৱৰ্তন ঘটাব।



অনুশীলনি (ক)

সংবাদ মাধ্যমক কিয় গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়? চিন্তা কৰক।

সমাজত গণমাধ্যমৰ কিছু ভূমিকাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল —

পৰিৱৰ্তনৰ ধ্বজাবাহক ঃ

গণমাধ্যমক পৰিৱৰ্তনৰ এক ধ্বজাবাহক হিচাপে ব্যৱহাৰ কৰি অহা হৈছে আৰু ভাৰতীয় সমাজ ব্যৱস্থাৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে প্ৰযোজ্য। চৰকাৰে এই কথা বিশ্বাস কৰে যে গণমাধ্যমৰ ব্যৱহাৰৰ জৰিয়তে জনগণৰ মনোভাৱ আৰু বিশ্বাসৰ পৰিৱৰ্তন আনিব পৰা যায়। উদাহৰণস্বৰূপে, ভাৰতীয় চৰকাৰে অঁনাতাৰ আৰু দূৰদৰ্শনৰ ব্যৱহাৰৰ জৰিয়তে কুষ্ঠ আৰু এইচ আই ভি এইডচ্‌ৰ নিচিনা সংক্ৰামক ৰোগৰ বিষয়ে জনসাধাৰণৰ মাজত প্ৰচলিত দৃষ্টিভংগী আৰু বদ্ধমূল ধাৰণাসমূহ সলনি কৰিবলৈ চেষ্টা কৰিছিল। পলিঅ' হ'ল আন এক ৰোগ যিটো ভাৰততে যথেষ্ট হাৰত হৈছিল। কিন্তু দূৰদৰ্শন আৰু অঁনাতাৰযোগে প্ৰচাৰিত কিছুমান বিশেষ অনুষ্ঠানৰ যোগেদি অভিভাৱকসকলক যেতিয়া তেওঁলোকৰ সন্তানক পলিঅ'ৰ টীকাকৰণ আৰু নিয়মীয়া ঔষধ প্ৰদান কৰিবলৈ অনুৰোধ জনোৱা হ'ল, তেতিয়া ভাৰতীয় সমাজৰ পৰা পলিঅ' প্ৰায় সমূলি নাইকিয়া হৈ পৰিল। গতিকে গণমাধ্যমে বিশ্বজুৰি পৰিৱৰ্তন সাধন কৰিব পৰা তথা ধনাত্মক প্ৰভাৱশালী বাৰ্তাসমূহৰ সম্প্ৰসাৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

অধিক ক্ষুদ্ৰায়তনৰ পৃথিৱীৰ সৃষ্টি ঃ

গণমাধ্যমে পৃথিৱীখনক অধিক ক্ষুদ্ৰায়তনৰ এক সাৰ্বজনীন গোটলৈ পৰিৱৰ্তিত কৰিছে। হাজাৰ হাজাৰ মাইল দূৰত্বত অনুষ্ঠিত হৈ থকা বিভিন্ন ঘটনাৱলী, ক্ৰীড়ানুষ্ঠান, প্ৰদৰ্শনী যেনে ক্ৰিকেট, ফুটবল, অস্কাৰ বঁটা প্ৰদান, বক্তৃতানুষ্ঠান আদি গণমাধ্যমৰ যোগেদি সম্প্ৰচাৰ কৰা হয় যাতে পৃথিৱীৰ যিকোনো ঠাইৰ মানুহে ঘৰতে বহি এইসমূহ উপভোগ কৰিব পাৰে। ইয়ে মানুহক এক বিশ্বজনীন সমাজৰ লগত জড়িত হোৱাৰ লগতে তাৰ এক অংশ হোৱাৰ অনুভূতি প্ৰদান কৰে। গণমাধ্যমৰ দ্ৰুতবেগ আৰু কাৰ্যকাৰিতাৰ ফলশ্ৰুতিতেই পৃথিৱীৰ সকলো ঠাইৰে মানুহ কাষ চপাত সফল হৈছে। পৃথিৱীখনৰ এই সংকুচিত তথা একগোট হোৱা চৰিত্ৰটো বৰ্ণাবলৈ 'বিশ্বগ্ৰাম' (global village) শব্দটো ব্যৱহাৰ কৰা হয়। ইন্টাৰনেটে মানুহক আগতকৈও অধিক কাষ চপাই আনিছে।

পণ্যদ্ৰব্যৰ প্ৰচাৰকৰ্তা ঃ

গণমাধ্যমসমূহ বিক্ৰেতাৰ পণ্যদ্ৰব্যসমূহৰ প্ৰচাৰত অভিজ্ঞ। বিভিন্ন গণমাধ্যম যেনে দূৰদৰ্শন তথা বাতৰিকাকতৰ বাবে বিজ্ঞাপন হ'ল ৰাজহ সংগ্ৰহৰ এক উল্লেখনীয় উৎস। বিজ্ঞাপনদাতাসমূহে গণমাধ্যম আৰু মনোযোগ আকৰ্ষণৰ জৰিয়তে সম্ভাব্য আৰু প্ৰত্যাশিত গ্ৰাহকক তেওঁলোকৰ পণ্যদ্ৰব্যসমূহৰ বিষয়ে জনাবলৈ এটাই আনটোৰ লগত প্ৰতিদ্বন্দ্বিতা কৰে। জনসাধাৰণে বিভিন্ন পণ্যদ্ৰব্যসমূহৰ এক সম্যক জ্ঞান লাভ কৰি এক নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব পাৰে।

পৰিচয় বলৱৎকৰণ ঃ

নানান বৈশিষ্ট্যৰে সংগঠিত এক জনসংখ্যাক সম্বোধন কৰিবলৈ গণমাধ্যমে এক ৰাষ্ট্ৰীয় পৰিচয় বলৱৎ কৰাত সহায় কৰে, যাৰ উল্লেখযোগ্য উদাহৰণ হ'ল ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ। বিভিন্ন প্ৰকাৰৰ সংবাদ মাধ্যম যেনে বাতৰিকাকত আৰু দূৰদৰ্শনে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজতে একে ধৰণৰ বাতৰি পৰিৱেশন কৰে যিবোৰে সমধৰ্মী অনুভূতিৰ সৃষ্টি কৰে। ইয়াৰ ভিতৰত প্ৰবাসী জনসংখ্যাও অন্তৰ্ভুক্ত, যাৰ পৰিচয় এক এনে সংস্কৃতিত উপলব্ধ য'ত তেওঁলোক শাৰীৰিকভাৱে উপস্থিত নাথাকিলেও আৱেগিকভাৱে সম্বন্ধযুক্ত যেন অনুভৱ কৰে। গণমাধ্যমে প্ৰব্ৰজনকাৰীক এক নতুন এলেকাৰ অপৰিচিত অঞ্চলত খাপ খাবলৈ সহায় কৰে আৰু একে সময়তে তেওঁলোকক নিজৰ ঘৰুৱা দেশসমূহৰ খবৰ-বাতৰি সম্পৰ্কে সজাগ ৰখাতো সহায় কৰে।

যোগাযোগৰ মাধ্যম ঃ

বৰ্তমান সময়ত গণমাধ্যমেই মানুহৰ মাজত যোগাযোগ স্থাপনৰ মৌলিক আধাৰ। বিভিন্ন মাধ্যম যেনে দূৰভাষ, ইণ্টাৰনেট আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে মানুহে বিভিন্ন এলেকা আৰু দেশলৈ বাৰ্তাৰ আদান-প্ৰদান কৰে।

সংস্কৃতিৰ সানমিহলিকৰণ ঃ

সানমিহলিকৰণ হ'ল এটা ভূখণ্ডৰ সাংস্কৃতিক উপাদান আন এটালৈ বিয়পি যোৱা আৰু এই ক্ষেত্ৰত গণমাধ্যমে এক সুকীয়া ভূমিকা গ্ৰহণ কৰে। উদাহৰণস্বৰূপে, ভাৰতৰ সকলো ঠাইতে প্ৰায় সকলো প্ৰকাৰৰ খাদ্য-সামগ্ৰী উপলব্ধ। দক্ষিণ ভাৰতীয় খাদ্য-সামগ্ৰী যেনে, দোছা, ইড্‌লী আদিয়ে ৰাষ্ট্ৰীয় আনকি আন্তঃৰাষ্ট্ৰীয় সমাদৰ লাভ কৰিবলৈও সক্ষম হৈছে। এক ভাষা হিচাপে হিন্দীৰ বিস্তাৰ আৰু দূৰদৰ্শনৰ হিন্দীভাষী ধাৰাবাহিকসমূহে গণমাধ্যমে এটা খণ্ডৰ পৰা আন এক খণ্ডলৈ উপাদানসমূহৰ সাংস্কৃতিক সানমিহলিকৰণত সহায় কৰাৰ উদাহৰণ।

বিকল্প ৰাজহুৱা পৰিমণ্ডল ঃ

প্ৰায় সকলোৱেই গণমাধ্যম, বিশেষকৈ ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰিব পাৰে। ই সাধাৰণ মানুহক তেওঁলোকৰ মতামত প্ৰকাশ বা সমস্যাৰাজি উত্থাপনৰ এক সুবিধা প্ৰদান কৰে যিটো সুবিধাৰ পৰা তেওঁলোকক মূলসূতিৰ সংবাদ মাধ্যমে সাধাৰণতে বঞ্চিত কৰে। সেয়েহে ইয়াক 'বিকল্প ৰাজহুৱা পৰিমণ্ডল' হিচাপে কোৱা হৈছে যিহেতু ই ঐতিহাসিকভাৱে শোষণ আৰু বৈষম্যৰ ভুক্তভোগী জনতাক ভাব প্ৰকাশৰ সুবিধা প্ৰদান কৰে। উদাহৰণস্বৰূপে, মহিলাসকলে ছ'চিয়েল মিডিয়াৰ বিভিন্ন আহিলাৰ জৰিয়তে তেওঁলোকৰ সমস্যাৰাজি আৰু বিভিন্ন যৌন নিৰ্যাতনৰ ঘটনাসমূহ ৰাজহুৱা কৰাৰ ফলশ্ৰুতিত আন্দোলনটো সংগঠিত হৈছিল।

গণমাধ্যমৰ কেইটামান কাৰ্য হ'ল —

- গণমাধ্যমে সৰ্বসাধাৰণৰ প্ৰয়োজনীয় সংবাদ আৰু তথ্যৰ যোগান ধৰে।
- গণমাধ্যমে সৰ্বসাধাৰণক শিক্ষিত কৰে।
- গণমাধ্যমে ৰাইজক আমোদিত কৰে।
- গণমাধ্যমে সাংস্কৃতিক উপাদানসমূহৰ সানমিহলিকৰণত সহায় কৰে।
- গণমাধ্যমে শোষিত আৰু পিছপৰা জনতাক কণ্ঠদান কৰে।



অগ্রগতি নিৰীক্ষণ (ক)

প্রশ্ন নং ১ ঃ গণমাধ্যমৰ তিনিটা কার্যৰ বিষয়ে উল্লেখ কৰক।

.....

প্রশ্ন নং ২ ঃ কিয় ছ'চিয়েল মিডিয়াক বিকল্প ৰাজহুৱা পৰিমণ্ডল বুলি কোৱা হয়?

.....

প্রশ্ন নং ৩ ঃ কি কাৰণে গণমাধ্যমৰ শক্তিক প্রতীকাত্মক গণ্য কৰা হয়।

.....

৭.৪ বিবাহ আৰু পৰিয়ালৰ ওপৰত গণমাধ্যমৰ প্রভাৱ

বৈবাহিক আৰু পৰিয়াল সম্বন্ধীয় সম্পর্ককে আদি কৰি সকলো প্রকাৰৰ সম্পর্কৰ ওপৰতে গণমাধ্যমৰ প্রভাৱ অতি গুৰুত্বপূর্ণ। গণমাধ্যম, বিশেষকৈ ছপা মাধ্যম আৰু ছ'চিয়েল মিডিয়াই বিভিন্ন সমাজত বিবাহযোগ্য সংগী নির্বাচনত সহায় কৰি আহিছে। ভাৰতৰ দেওবৰীয়া বাতৰিকাকতসমূহত বিবাহ-সম্বন্ধীয় বিজ্ঞাপন এক নিয়মীয়া অংশ। কিন্তু বর্তমান বিজ্ঞাপনতকৈ বিভিন্ন বিবাহ-সম্বন্ধীয় ছাইট যেনে Shadi.com আৰু Jeevan Sathi.com আদিয়েহে জনসাধাৰণক উপযুক্ত সংগী নির্বাচনত সহায় কৰে। আধুনিক পৰিকলন যন্ত্রৰ উদ্ভাৱনৰ পাছত প্রযুক্তিবিদ্যা আৰু সামাজিক যোগাযোগৰ ব্যৱস্থাসমূহৰ এক দ্রুতগতিৰে বিকাশ ঘটিবলৈ ধৰিলে আৰু বিভিন্ন প্রকাৰৰ চ্চেটিং ৱেবছাইট (Chatting Website) সকলোৰে বাবে উপলব্ধ হ'ল। বেলেগ বেলেগ অঞ্চলৰ বৈবাহিক আৰু পৰিয়াল সম্বন্ধীয় সম্পর্কসমূহ অটুট ৰখাটো গণমাধ্যমে সহায় কৰে।

কিন্তু বিভিন্ন অধ্যয়নে এই মতো প্রকাশ কৰে যে বিবাহ আৰু পৰিয়াল, এই দুয়োটা অনুষ্ঠানৰ ওপৰতে ছ'চিয়েল মিডিয়াই এক নেতিবাচক প্রভাৱ পেলায়। বহুতো মানুহে নিজৰ বৈবাহিক জীৱন আৰু সম্পর্কৰ বিভিন্ন স্থিৰচিত্র আৰু প'ষ্ট (post) ছ'চিয়েল মিডিয়াত শ্যেয়াৰ (share) কৰে যিবোৰে অন্য বিবাহিত দম্পতিৰ ওপৰত মানসিক চাপ পেলায় যিয়ে আনৰ সুখী বৈবাহিক জীৱন দেখাৰ পাছত নিজৰ বৈবাহিক জীৱন সম্বন্ধে অসুখী বা অনিশ্চয়তাত ভুগে। গতিকে , দম্পতি এহালে সন্মুখীন হোৱা তথা নির্ণয় কৰিব লগীয়া আভাসী আৰু বাস্তৱৰ মাজৰ ব্যৱধানে বিষণ্ণতা আৰু হতাশা সৃষ্টি কৰাৰ অৱকাশ থাকে।

বহুতো সংগীয়ে নিজৰ পতি বা পত্নীক এজনে আনজনৰ লগত সময় কটোৱাৰ পৰিৱর্তে নিজৰ ফোন বা ইন্টাৰনেটত অধিক সময় কটোৱা বুলিও দোষাৰোপ কৰে। ইয়াৰ উপৰিও অনলাইন বিশ্বাসঘাটকতাৰ ঘটনাসমূহো বৃদ্ধি পাইছে যিবোৰে পতি- পত্নীৰ মাজত বিশ্বাস আৰু প্রতিশ্রুতি কমাই আনিছে আৰু তাৰ স্থান লৈছে সন্দেহজনক ব্যৱহাৰে। পতি-পত্নীৰ মাজত ছ'চিয়েল নেটৱর্কিং

ছাইটৰ পাছৱৰ্ড আদান-প্ৰদান কৰাক লৈও তৰ্ক হয়। কিছুমান মানুহে এইদৰেও অনুভৱ কৰে যে ছ'চিয়েল মিডিয়াই তেওঁলোকৰ গোপনীয়তা ভংগ কৰিছে আৰু ইয়ে তেওঁলোকৰ বৈবাহিক জীৱনতো সমস্যাৰ সৃষ্টি কৰে। যুৱপ্ৰজন্মৰ বাবে ছ'চিয়েল মিডিয়া জীৱনৰ এক অংগ হৈ পৰিছে। বিভিন্ন গৱেষণামূলক অধ্যয়নে এই মত প্ৰকাশ কৰিছে যে ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীৰ সংখ্যা ২০ শতাংশ বৃদ্ধি পোৱাৰ ফলত বিবাহ-বিচ্ছেদো বৃদ্ধি পাইছে।

ছ'চিয়েল মিডিয়াৰ আন এটা নেতিবাচক প্ৰভাৱ হ'ল ছ'চিয়েল মিডিয়াৰ প'ষ্ট (post)-সমূহত বিবাহ-সম্বন্ধীয় বা অন্য অনুষ্ঠানসমূহত নিজৰ ঐশ্বৰ্যশালীতা জাহিৰ কৰা। ইয়ে ধনী আৰু দুখীয়াৰ পাৰ্থক্য আৰু বঢ়াই তোলে আৰু ইয়াৰ ফলত নিজৰ বিবাহ-অনুষ্ঠান জাকজমকতাৰে অনুষ্ঠিত কৰিবলৈ অসমৰ্থ লোকসকলে অনিশ্চয়তা আৰু হীনমন্যতাত ভোগে। গতিকে ছ'চিয়েল মিডিয়াই বিবাহযোগ্য সংগী নিৰ্বাচন কৰাত সহায় কৰাৰ লগতে বৈবাহিক জীৱনটো সমস্যাৰ সৃষ্টি কৰে।

এই শাখাটোৱে বিবাহ আৰু পৰিয়ালত গণমাধ্যমৰ প্ৰভাৱৰ বিষয়ে থুলমুলকৈ এক ব্যাখ্যা আগবঢ়ালে। ইয়াৰ পৰৱৰ্তী অংশত গণমাধ্যম আৰু ভাৰতীয় পৰিয়ালৰ সম্পৰ্কৰ বিষয়ে এক আভাস দিয়া হৈছে।



অগ্ৰগতি নিৰীক্ষণ (খ)

প্ৰশ্ন নং ১ ঃ ছ'চিয়েল মিডিয়াই কেনেদৰে বৈবাহিক জীৱনত সমস্যাৰ সৃষ্টি কৰিব পাৰে?

.....

৭.৫ গণমাধ্যম আৰু ভাৰতীয় পৰিয়াল

বহুতো সমাজ এনেদৰে কাৰ্যক্ষম হয় যাৰ মৌলিক গোটতো হ'ল পৰিয়াল আৰু এইটো ভাৰতীয় সমাজৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰযোজ্য।এটা পৰিয়ালৰ প্ৰাথমিক দায়িত্ব হ'ল বছৰ বছৰ জুৰি ইয়াৰ প্ৰজন্মসমূহৰ সংৰক্ষণ, প্ৰতিৰক্ষা আৰু উন্নীতকৰণ। তেওঁলোকৰ যৌথ সাংস্কৃতিক মূল্যবোধ আছে যিয়ে তেওঁলোকৰ সদস্যৰ আচৰণৰ প্ৰদৰ্শক হয়। পাৰম্পৰিক অৰ্থত তেওঁলোকৰ এজনৰ আনজনৰ লগত তেজৰ সম্বন্ধ আছে।

গঠন অনুযায়ী পৰিয়ালবোৰক দুটা ভাগত বিভক্ত কৰিব পাৰি— একক আৰু যৌথ পৰিয়াল। একক পৰিয়াল অভিভাৱক আৰু তেওঁলোকৰ সন্তানেৰে সংগঠিত। ইয়াৰ বিপৰীতে, এটা যৌথ পৰিয়াল অভিভাৱক, তেওঁলোকৰ সন্তান, ককা-আইতা বা তেওঁলোকৰ খুৰা-খুৰী, বৰদেউতা-বৰমা আদিৰে সংগঠিত। একক পৰিয়াল ক্ষুদ্ৰাকৃতিৰ হয় আৰু আনহাতে যৌথ পৰিয়াল সম্প্ৰসাৰিত হয়। পৰম্পৰাগতভাৱে, উন্নত দেশসমূহত একক পৰিয়াল গৃহীত নিয়ম হয় আৰু আনহাতে ভাৰতৰ নিচিনা উন্নয়নশীল দেশসমূহত যৌথ পৰিয়াল অধিক প্ৰচলিত আছিল।

কিন্তু বিভিন্ন বাদানুবাদ অনুসৰি এই যুক্তি দাঙি ধৰা হয় যে নগৰীকৰণ, উদাৰীকৰণ

আৰু গণমাধ্যমৰ সম্প্রসাৰৰ ফলত বিভিন্ন সমাজ ব্যৱস্থা, যেনে ভাৰতীয় সমাজ, য'ত যৌথ পৰিয়ালৰ ৰীতি আছিল, তাৰ পৰিৱর্তন সাধন হৈছে। ইয়াৰে আটাইতকৈ সাধাৰণ যুক্তিটো হ'ল যে প্রচলিত ধাৰাটো একক পৰিয়ালৰ ফালে ঢাল খাইছে। কিন্তু সকলো ঠাইতে এই কথা প্রযোজ্য নহয়। মহানগৰত একক পৰিয়াল অধিক প্রচলিত যদিও গ্রাম্য আৰু অর্ধ-নগৰীয় অঞ্চলসমূহত যৌথ পৰিয়াল এতিয়াও এক আদর্শ পৰিয়াল।

এককেই হওঁক বা যৌথ পৰিয়ালেই হওঁক, গণমাধ্যমে বিভিন্ন প্রকাৰৰ ভাৰতীয় পৰিয়ালসমূহৰ ওপৰত বিভিন্ন ধৰণে প্রভাৱ পেলায়। ভাৰতত গণমাধ্যমৰ আৰম্ভণি কৰিছিল ব্রিটিছে। স্বাধীনতাৰ পাছত ভাৰতৰ মূল গণমাধ্যমসমূহ আছিল বাতৰিকাকত, দূৰদর্শন আৰু অনাঁতাৰ। দূৰদর্শন আৰু অনাঁতাৰ মূলতঃ চৰকাৰীভাৱে নিয়ন্ত্রিত আছিল আৰু 'দূৰদর্শন' আৰু 'অল ইণ্ডিয়া ৰেডিঅ' ক্রমে চৰকাৰী দূৰদর্শন আৰু চৰকাৰী অনাঁতাৰ চেনেল আছিল। সেইসময়ত গণমাধ্যমৰ ভূমিকা আছিল জনসাধাৰণক তথ্য যোগান ধৰা, শিক্ষিত কৰা, আৰু মনোৰঞ্জন প্রদান কৰা। কৃষক, ছাত্র আদিৰ বাবে তেতিয়া বিভিন্ন অনুষ্ঠান সম্প্রচাৰ কৰা হৈছিল যিবোৰ তথ্য সম্বন্ধীয় প্রকৃতিৰ আছিল। ব্যক্তিগত কেইব্‌ল্‌ টিভি চেনেলৰ আৰম্ভণিৰ পাছতহে গণমাধ্যমৰ মনোৰঞ্জনধর্মী ভূমিকাই প্রাধান্য লাভ কৰিছিল। ১৯৮৬ চনত নতুন দিল্লীত অনুষ্ঠিত হোৱা এছিয়ান গেম্‌ছে ভাৰতত দূৰদর্শনৰ চিত্রখন চিৰদিনৰ বাবে সলনি কৰিলে যিহেতু সেইসময়ত দেশখনত পোনপ্রথমবাৰৰ বাবে ৰঙীন টিভিৰ প্রচলন আৰম্ভ হৈছিল। ধীৰে ধীৰে কেইব্‌ল্‌ টিভিৰো প্রচলন আৰম্ভ হৈছিল আৰু *ষ্টাৰ প্লাছ* জাতীয় চেনেলবোৰে যথেষ্ট জনপ্রিয়তা অর্জন কৰিছিল।

বিংশ শতিকাৰ নব্বৈৰ দশকৰ অর্থনৈতিক উদাৰবাদৰ পাছত গণমাধ্যমৰ জনসাধাৰণক তথ্য যোগান আৰু শিক্ষা প্রদানৰ ভূমিকাৰ সালসলনি ঘটিছিল। বিংশ শতিকাৰ নব্বৈৰ দশকৰ প্রথমভাগত *হাম লোগ* আৰু *বুনিয়াদ* প্রভৃতি হিন্দী ধাৰাবাহিকসমূহে দর্শকক সম্মোহিত কৰি ৰাখিছিল। ৰামায়ণ আৰু মহাভাৰত সদৃশ পৌৰাণিক ধাৰাবাহিকসমূহেও জনপ্রিয়তা লভিছিল আৰু সমগ্র দেশখনকে একেলগ কৰিছিল। যোৱাটো দশকত গণমাধ্যমৰ ভূমিকা পুনৰ সলনি হ'ল আৰু বর্তমান সময়ত গণমাধ্যম এক ব্যৱসায়িক উদ্যোগত পৰিণত হৈছে।

আমি ভাৰতত স্বাধীনতাৰ পিছত গণমাধ্যমৰ ভূমিকাৰ বিষয়ে এক আভাস পালো। এতিয়া আমি ভাৰতীয় সমাজ আৰু পৰিয়ালত গণমাধ্যমৰ প্রভাৱৰ বিষয়ে অধ্যয়ন কৰিম।

- **পৰিয়াল আৰু জনসমাজৰ একত্রিতকৰণ ঃ**

পৰিয়ালৰ সদস্য তথা এখন সমাজৰ সদস্যসকলক একত্রিত কৰোৱাত গণমাধ্যমে এক বিশেষ ভূমিকা পালন কৰে। ৰাতিপুৱাৰ খবৰকাগজখন একেলগে পঢ়াটো বহুতো পৰিয়ালৰ বাবে এক প্রাত্যহিক কর্মসূচীৰ দৰেই আছিল আৰু দূৰদর্শনৰ প্রচলনৰ আগতে এই ছবিখন সচৰাচৰ দেখা গৈছিল। বর্তমানৰ পৰিয়ালসমূহৰ বাবে দূৰদর্শনৰ অনুষ্ঠান একেলগে উপভোগ কৰাটো এই অভ্যাসটোৰেই এক নতুন সংযোজন। বিংশ শতিকাৰ নব্বৈৰ দশকত যেতিয়া ৰামায়ণ আৰু মহাভাৰত ধাৰাবাহিক হিচাপে সম্প্রচাৰ কৰা হৈছিল, তেতিয়া কেৱল এটা পৰিয়ালেই নহয়, আনকি ওচৰচুবুৰীয়া সকলোৱে একেলগে বহি সেইসমূহ উপভোগ কৰিছিল। ক্রিকেট খেলসমূহৰ

সম্প্রচাৰো ভাৰতীয়সকলক একত্রিত কৰাৰ আন এক উপায় যিহেতু তেওঁলোকে একেলগে বহি খেলসমূহ উপভোগ কৰিব পাৰে যিবোৰত অংশগ্রহণ কৰিবলৈ ভাৰতীয় দলটো বিদেশলৈ যায়।

- **পৰিয়ালসমূহৰ একত্রিতকৰণ ঃ**

সাম্প্রতিক সময়ত বহুতো পৰিয়ালে একেলগে বাস নকৰে আৰু সদস্যসমূহে বেলেগ বেলেগ ঠাইত বসবাস কৰে। বিভিন্ন ধৰণৰ গণমাধ্যমৰ যোগেদি এই ব্যক্তিসকলে এজনে আনজনৰ লগত সম্পর্ক ৰক্ষা কৰিব পাৰে। যথেষ্ট দূৰত্বত বসবাস কৰা পৰিয়ালসমূহে বিভিন্ন প্রকাৰৰ মাধ্যমৰ ব্যৱহাৰেৰে যোগাযোগ ৰক্ষা কৰে। দূৰ-দূৰণিত থাকিও এজনে আনজনৰ লগত সম্পর্ক ৰখাটো এতিয়া অধিক সহজ হৈ পৰিছে। আনকি ভাৰত এনে এখন দেশ য'ত ইন্টাৰনেট আৰু চেলফোন ব্যৱহাৰকাৰীৰ সংখ্যা সবাতোকৈ বেছি।

- **পৰিয়াল পৰিকল্পনা আৰু স্বাস্থ্য সম্পর্কীয় সমস্যাৱলী ঃ**

ভাৰতীয় চৰকাৰৰ পৰিয়াল পৰিকল্পনাজনিত কার্যসূচীত গণমাধ্যমে এক মুখ্য ভূমিকা পালন কৰিছে। পৃথিৱীৰ সকলো দেশসমূহৰ ভিতৰতে ভাৰত এক অন্যতম দেশ যিয়ে ১৯৫২ চনতে ভাৰতৰ জনসংখ্যা নিয়ন্ত্রণ কৰিবলৈ এক ৰাষ্ট্রৰ দ্বাৰা সঞ্চালিত পৰিয়াল পৰিকল্পনাৰ আঁচনি গ্রহণ কৰিছিল। এই চৰকাৰখনে বিভিন্ন ধৰণৰ গণমাধ্যম যেনে বাতৰিকাকত, দূৰদর্শন, অঁনাতাৰ, চলচিত্র আদি ব্যৱহাৰৰ জৰিয়তে তাত প্রকাশ কৰা বিভিন্ন প্রকাৰৰ বিজ্ঞাপন, প্রাচীৰপত্র আদিত এক সৰু পৰিয়ালৰ প্রয়োজনীয়তাৰ কথা সম্প্রচাৰ কৰিছিল। ছবিগৃহত চলচিত্র আৰম্ভ হোৱাৰ আগেয়ে সম্প্রচাৰ কৰা বিজ্ঞাপনসমূহত পৰিয়াল পৰিকল্পনাৰ প্রয়োজনীয়তা আৰু চিগাৰেট সেৱনৰ অপকাৰিতা তথা কেনেদৰে ইয়াৰ পৰা কর্কট ৰোগ হয়, সেইয়া দর্শকক অৱগত কৰোৱা হৈছিল। এনদৰে গণমাধ্যমক জনসাধাৰণক তথ্য যোগান আৰু শিক্ষা প্রদানৰ চিৰাচৰিত ভূমিকা পালন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল।

- **শিক্ষামূলক অনুষ্ঠান ঃ**

জনসাধাৰণক শিক্ষিত কৰাৰ ক্ষেত্রত গণমাধ্যমে এক গঠনমূলক ভূমিকা পালন কৰিছে। স্বৰাজোত্তৰ কালৰ দূৰদর্শন আৰু অঁনাতাৰৰ ক্ষেত্রত এয়া বিশেষভাৱে প্রযোজ্য যেতিয়া গণমাধ্যমসমূহ মূলতঃ চৰকাৰে পৰিচালিত কৰিছিল। 'কৃষি দর্শন' প্রভৃতি অনুষ্ঠানসমূহে খেতিয়কক উন্নত কৃষি প্রণালী, বীজ, ট্রেক্টৰ, জলসিঞ্চন প্রকল্প আদিৰ বিষয়ে অৱগত কৰে। জনসংযোগ ৰক্ষাৰ বাবে চৰকাৰে গণমাধ্যমক গঠনমূলক কার্যত ব্যৱহাৰ কৰিছিল।

- **সময় ব্যৱস্থাপনা ঃ**

তথাপিও এই কথা সত্য নহয় যে গণমাধ্যমৰ কেৱল ইতিবাচক দিশহে আছে। ইয়াৰ যথেষ্ট নেতিবাচক দিশো আছে। উদাহৰণস্বৰূপে, অধ্যয়নে কয় যে বহুতো শিশুৱে বয়সৰ হিচাপতকৈ যথেষ্ট বেছি সময় দূৰদর্শনত অপচয় কৰে। তিনিখন ভাৰতীয় মেট্রোৰ দূৰদর্শনৰ দর্শকৰ মাজত অনুষ্ঠিত কৰা এক শেহতীয়া অধ্যয়নত ৩৫০০ শিশুৰ ভিতৰত ৭৯ শতাংশই কৈছে যে তেওঁলোকে কোনো শিক্ষামূলক অনুষ্ঠানতকৈ কার্টুন নেটৱর্ক সদৃশ চেনেলসমূহ চাবলৈহে বেছি ভাল পায়।

কেৱল শিশুৱেই নহয়, প্ৰাপ্তবয়স্কসকলৰ আজৰি সময়ৰ বেছিভাগেই গণমাধ্যমেই দখল কৰি আহিছে। তেওঁলোকে এসপ্তাহত গড়ে প্ৰায় ২৫ ঘণ্টা দূৰদৰ্শনত অতিবাহিত কৰে আৰু লগতে অঁনাতাৰ যন্ত্ৰ, বাতৰিকাকত, ইণ্টাৰনেট, পৰিকলন যন্ত্ৰ, দূৰভাষ আদিতো সময় খৰছ কৰে। বিদ্যায়নয়, পৰিয়াল, আৰু বন্ধু-বান্ধৱীৰ দলু লগতে গণমাধ্যমো শিশুসকলৰ বাবে এক মুখ্য সামাজিকীকৰণৰ মাধ্যম হৈ পৰিছে।

- **যৌনতা আৰু হিংসা ঃ**

গণমাধ্যমৰ লগত জড়িত এক বিতৰ্কিত বিষয় হ'ল কেনেদৰে ইয়াৰ জৰিয়তে সকলোকে, বিশেষকৈ শিশুসকলক, যৌন সম্বন্ধীয় তথা হিংসাজনিত বিষয়ৰ অনুষ্ঠান দেখুওৱাৰ সম্ভাৱনা থাকে। অভিভাৱক আৰু বয়স্ক লোকসকলে সময়ে সময়ে দূৰদৰ্শন আৰু ইণ্টাৰনেটত উপলব্ধ যৌন সম্বন্ধীয় আৰু হিংসাজনিত বিষয়ৰ অনুষ্ঠানসমূহৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰে। তেওঁলোক নিজৰ শিশুসকলক এনে ধৰণৰ বিষয়বস্তুৰ পৰা বিৰত ৰাখিবলৈ গণমাধ্যমৰ বিবাচন (Censorship)-ৰ আহ্বান কৰে। উদাহৰণস্বৰূপে, ভাৰতীয় প্ৰেক্ষাপটত কিছুমান অনুষ্ঠান মুখ্য সময় (Prime Time)-ত সম্প্ৰচাৰ কৰিবলৈ অনুমতি প্ৰদান কৰা নহয়। পৰ্ণগ্ৰাফীৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা উচিত নে অনুচিত, সেই বিষয়েও অবিৰত আলোচনা হৈ থাকে।



অগ্ৰগতি নিৰীক্ষণ (গ)

প্ৰশ্ন নং ১ ঃ গণমাধ্যমৰ ভূমিকা কিদৰে সলনি হৈছে?

.....

প্ৰশ্ন নং ২ ঃ এনে দুটা কাৰ্যৰ কথা উল্লেখ কৰক যাৰ বাবে ৰাষ্ট্ৰ যন্ত্ৰই গণমাধ্যমৰ সহায় লয়।

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গণমাধ্যম হ'ল তথ্য, ধাৰণা, মতামত, স্থিৰচিত্ৰ আদিক জনসংযোগী সজুলিৰ সহায়ত ভিন্ন প্ৰকৃতিৰ জনসাধাৰণলৈ প্ৰেৰণ কৰাৰ কাৰিকৰী উপায়।
- বৰ্তমান সমাজত গণমাধ্যমৰ পুৰণা আৰু নতুন বিভিন্ন উৎস আছে, যেনে বাতৰিকাকত, আলোচনী, দূৰদৰ্শন, অঁনাতাৰ যন্ত্ৰ, পৰিকলন যন্ত্ৰ, ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া, প্ৰচাৰপত্ৰ, ফেক্স, টেলিগ্ৰাম, ভিডিঅ'গেমছ, চেলফোন ইত্যাদি।
- গণমাধ্যমৰ এনে কোনো ৰূপ নাই যিটো সাংস্কৃতিক পক্ষপাতিত্ব আৰু কোনো নিৰ্দিষ্ট লক্ষ্যৰ পৰা মুক্ত। প্ৰায়েই গণমাধ্যমবোৰ শ্ৰেণী, জাতি, লিংগ, গোষ্ঠী, বা বৰ্ণৰ প্ৰতি

পক্ষপাতমূলক ধাৰণাৰ বশৱৰ্তী হোৱা দেখা যায়।

- ছ'চিয়েল মিডিয়া (Social Media) হ'ল গণমাধ্যমৰ আটাইতকৈ নতুন ৰূপ। গণমাধ্যমৰ যোগেদি সমাজৰ সকলো শ্রেণীৰ মানুহে অনায়াসে তথ্য, স্থিৰচিত্র, আৰু ভাবৰ আদান-প্রদান কৰিব পাৰে। ছ'চিয়েল মিডিয়া হ'ল এনে এক প্রকাৰৰ গণমাধ্যম, যাৰ সহায়ত মানুহে ইন্টাৰনেটৰ যোগেদি ভাব বিনিময় আৰু যিকোনো বিষয়বস্তুৰ আদান-প্রদান কৰিব পাৰে।
- সংবাদ মাধ্যমক গণতন্ত্রৰ চতুর্থ স্তম্ভ হিচাপেও জনা যায় যিহেতু ই চৰকাৰৰ সমালোচক হিচাপে কাম কৰা উচিত আৰু লগতে ই এই সমালোচনাৰ ক্ষেত্রত নিৰপেক্ষ হোৱাটো প্রয়োজনীয়।
- বৈবাহিক আৰু পৰিয়াল সম্বন্ধীয় সম্পর্ককে আদি কৰি সকলো প্রকাৰৰ সম্পর্কৰ ওপৰতে গণমাধ্যমৰ প্রভাৱ অতি গুৰুত্বপূর্ণ। গণমাধ্যম, বিশেষকৈ ছপা মাধ্যম আৰু ছ'চিয়েল মিডিয়াই বিভিন্ন সমাজত বিবাহযোগ্য সংগী নির্বাচনত সহায় কৰি আহিছে।
- বিংশ শতিকাৰ নব্বৈৰ দশকৰ অর্থনৈতিক উদাৰবাদৰ পাছত গণমাধ্যমৰ জনসাধাৰণক তথ্য যোগান আৰু শিক্ষা প্রদানৰ ভূমিকাৰ সালসলনি ঘটিছিল। যোৱাটো দশকত গণমাধ্যমৰ ভূমিকা পুনৰ সলনি হ'ল আৰু বর্তমান সময়ত গণমাধ্যম এক ব্যৱসায়িক উদ্যোগত পৰিণত হৈছে।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Banjo, Omotayo. 2002. *The Effect of Media Consumption on the Perception of Romantic Relationships*. Penn State McNair Journal. 9. 9-33
2. Mehraj, Hakim Khalid, Akhtar, Neyaz Bhat, and Mehraz, Hakim Rameez. 2014. Impacts of Media on Society: A Sociological Perspective. International Journal of Journalism and Social Science Invention. 6(6): 56-64. www.ijhssi.org.



৭.৮ অগ্রগতিৰ খতিয়ান

(ক)

১নং প্রশ্নৰ উত্তৰ ঃ পৰিৱর্তক, জনসাধাৰণক তথ্য যোগান ধৰা আৰু মানুহৰ মাজত সংযোগ স্থাপন কৰা।

২নং প্রশ্নৰ উত্তৰ ঃ ই শোষিত আৰু নিস্পেষিত লোকসকলক মাত মতাৰ সুবিধা প্রদান কৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ জনসাধাৰণক কার্যক্ষম কৰি তুলিব নোৱাৰিলেও ইয়াৰ দ্বাৰা তেওঁলোকৰ চিন্তাধাৰাক প্রভাৱান্বিত কৰিব পাৰি।

(খ)

১নং প্রশ্নৰ উত্তৰ ঃ দম্পতিযোৰৰ মাজত অনিশ্চয়তা, হীনমন্যতা আৰু গোপনীয়তাৰ সমস্যা সৃষ্টি কৰি।

(গ)

১নং প্রশ্নৰ উত্তৰ ঃ গণমাধ্যমৰ ভূমিকা জনসাধাৰণক তথ্য যোগান আৰু শিক্ষা প্রদানৰ পৰিৱর্তে মনোৰঞ্জনধর্মী হৈ পৰিছে।

২নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল পৰিকল্পনা আৰু কৃষকক শিক্ষা প্রদান।

৭.৯ আৰ্হি প্রশ্ন



চমু প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ গণমাধ্যমৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ২ ঃ ছ'চিয়েল মিডিয়াৰ অর্থ কি?

ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ 'গণমাধ্যম আৰু সমাজৰ ওপৰত ইয়াৰ প্রভাৱ'ৰ বিষয়ে এটা টোকা লিখক।

প্রশ্ন নং ২ ঃ গণমাধ্যমক কেনেদৰে 'পৰিৱর্তনৰ ধ্বজাবাহক' হিচাপে গণ্য কৰা যায়?

*** ***** ***